**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

ইংৰাজী ২০২৬-ৰ আজি পহিলা দিন। নতুন আশা আৰু সম্ভাৱনা লৈ সময়ৰ গণনাত পুনৰ এটা নতুন বছৰ আৰম্ভ হ'ল। পুৰণি বছৰটোৰে কঢ়িয়াই অনা সুখ-দুখ, প্ৰত্যাহ্বান অতিক্ৰমী জনসাধাৰণে নতুন বছৰত নিজক প্ৰতিপন্ন কৰাৰ বাবে চেষ্টা চলাব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো যোৱা মাজনিশা ঘড়ীত ১২ বজাৰ লগে লগে জনসাধাৰণে হৰ্ষোল্লাসেৰে নতুন বছৰটোক আদৰণি জনায়। বিভিন্ন ঠাইত শংখধবনি আৰু গীৰ্জাৰ ঘণ্টাৰে ইংৰাজী নতুন বছৰক আদৰণি জনোৱা হয়। নিশা বহু পৰলৈকে আতচবাজী আৰু জয়ধবনিৰে জনসাধাৰণে ইংৰাজী নতুন বছৰৰ আৰম্ভণিক উদযাপন কৰে।

নৱবৰ্ষ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে নৱবৰ্ষ উপলক্ষে দিয়া এটা বাৰ্তাত ২০২৬ বৰ্ষই সকলোৰে বাবে সু-স্বাস্থ্য, সমৃদ্ধি আৰু সফলতা কঢ়িয়াই অনাৰ লগতে সমাজত সুখ-শান্তি অক্ষুণ্ণ থাকিব বুলি আশা প্ৰকাশ কৰে। এটা বিবৃতিত মুখ্যমন্ত্ৰী ডং শৰ্মাই ইংৰাজী নৱবৰ্ষই অসমবাসীলৈ নতুন আশা আৰু নৱচেতনা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। নতুন বছৰটোৱে স্বকীয় পৰম্পৰা তথা গৰিমামণ্ডিত ঐহিত্যৰে সমৃদ্ধ ৰাজ্যৰ জনসাধাৰণৰ মাজৰ সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰি তুলিব বুলি ডং শৰ্মাই আশা প্ৰকাশ কৰে।

নৱবৰ্ষৰ আজি পহিলা দিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মঠ-মন্দিৰ আৰু আন আন ধৰ্মীয় স্থানসমূহত ভক্তসকলে পুৱাৰে পৰা ভিৰ কৰা পৰিলক্ষিত হৈছে। শক্তিপীঠ কামাখ্যা মন্দিৰ, শুক্ৰেশ্বৰ মন্দিৰ, লতাশিল আৰু গণেশগুৰিৰ গণেশ মন্দিৰ, বশিষ্ঠ মন্দিৰকে ধৰি আন আন ধৰ্মীয় স্থানসমূহতো ভক্তসকলে পূজা-অৰ্চনা আগবঢ়াই বছৰটোলৈ কুশল-মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৱবৰ্ষ উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বছৰৰ পহিলা দিনটোত বনভোজস্থলীসমূহতো পুৱাৰেপৰা জনসাধাৰণৰ সমাগম পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ সমীপৰ চন্দ্ৰপুৰ, ৰাণী, টেঘেৰিয়া, পানীখাইতি, হাতীশিলাকে ধৰি বিভিন্ন অঞ্চলত আজি পুৱাতেই বহুলোক বনভোজৰ আনন্দ উপভোগৰ বাবে সমবেত হৈছে। বৰপেটা জিলাৰ বাঘবৰৰ ব্ৰহ্মপুত্ৰৰ বালিচৰ, সৰভোগৰ বেঁকী নদীৰ বালিচৰকে ধৰি বিভিন্ন বনভোজস্থলীত আজি যথেষ্ট লোকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে। নৱবৰ্ষৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে যোড়শ চানডুবি মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হয়। আজি পুৱা ৮ বজাত এই মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। কাইলৈ সাংস্কৃতিক কাৰ্যসূচী আৰু পৰহিলৈ জনজাতীয় সমাজৰ পৰম্পৰা আৰু ৰীতি-নীতি বিষয়ত আলোচনাসত্ৰ অনুষ্ঠিত হ'ব।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালিৰে পৰা ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কালি অসমৰ এখন নিভাঁজ গাঁৱক প্ৰতিফলিত কৰি প্ৰদৰ্শনী মুকলি কৰা হয়। অহা ৪ জানুৱাৰীলৈকে চলিবলগীয়া

এই উৎসৱত বিভিন্ন কাৰ্যসূচী থাকিব। এই সন্দৰ্ভত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে এইদৰে কয় –

**বাইট (সুদৰ্শন ঠাকুৰ)**

০০০০০০

অসম আৰক্ষীয়ে বনভোজক লৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি বনভোজলৈ যোৱা বাহন তীব্ৰ বেগত চলাব নোৱাৰিব আৰু বনভোজলৈ যোৱা বাহনৰ বৈধ নথি পত্ৰ থাকিব লাগিব। এনে বাহনৰ চালক সকলে মদ্যপান কৰিব নোৱাৰিব আৰু নিয়ম ভংগ কৰা চালক সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বনভোজস্থলীসমূহত গাড়ী ৰখোৱাৰ বাবে পৰ্যাপ্ত আছুতীয়া ঠাই থাকিব লাগিব আৰু সেই স্থানতহে বাহন ৰখাব পাৰিব।সূৰ্য্য উদয়ৰ পূৰ্বে আৰু সূৰ্য্যাস্তৰ পাচত বনভোজৰ বাহনৰ চলাচল নিষিদ্ধ হব। স্থানীয় আৰক্ষীয়ে বনভোজস্থলী সমূহত ভিডিপি নিয়োগ কৰিব লাগিব। আৰক্ষী আৰু জৰুৰীকালীন সাহাৰ্যৰ হেল্পলাইন নম্বৰ ১১২ আৰু চিকিৎসা জৰুৰীকালীন নম্বৰ ১০৮ৰ বিষয়ে বহলভাৱে প্ৰচাৰ চলাব লাগিব।

০০০০০০

**সমাপ্ত**